**জোহান্সবাৰ্গত জি-20 সন্মিলনত অংশগ্ৰহণ প্ৰধানমন্ত্ৰীৰ**

22 নৱেম্বৰ, 2025

প্ৰধানমন্ত্ৰীয়ে আজি জোহান্সবাৰ্গত দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফোছাৰ আতিথ্যত অনুষ্ঠিত জি-20 নেতৃবৃন্দৰ সন্মিলনত অংশগ্ৰহণ কৰে। এয়া আছিল জি-20 সন্মিলনত প্ৰধানমন্ত্ৰীৰ দ্বাদশ বাৰ্ষিক অংশগ্ৰহণ। প্ৰধানমন্ত্ৰীয়ে সন্মিলনৰ উদ্বোধনী অনুষ্ঠানৰ দুয়োটা পৰ্বত ভাষণ প্ৰদান কৰে। তেওঁ উষ্ণ আতিথ্য আৰু সন্মিলনখন সফলতাৰে আয়োজন কৰাৰ বাবে ৰাষ্ট্ৰপতি ৰামাফোছাক ধন্যবাদ জ্ঞাপন কৰে।

2. "সকলকে সামৰি লোৱা আৰু বহনক্ষম অৰ্থনৈতিক বিকাশ, যাতে কোনেও পিছপৰি নাথাকে" শীৰ্ষক বিষয়ত উদ্বোধনী অধিৱেশনত প্ৰধানমন্ত্ৰীয়ে দক্ষ প্ৰব্ৰজন, পৰ্যটন, খাদ্য সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল অৰ্থনীতি, উদ্ভাৱন আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাত গোটটোৱে কৰা কামৰ প্ৰশংসা কৰে। এই সন্দৰ্ভত তেওঁ উল্লেখ কৰে যে নতুন দিল্লী সন্মিলনত গ্ৰহণ কৰা কিছুমান ঐতিহাসিক সিদ্ধান্ত ইয়াত আগুৱাই নিয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে যে এতিয়া উন্নয়নৰ নতুন মানদণ্ডৰ ওপৰত চোৰা-চিতা কৰাৰ সময় হৈছে, বিশেষকৈ আফ্ৰিকাত প্ৰথমবাৰৰ বাবে জি-20 সন্মিলন অনুষ্ঠিত হোৱাৰ সময়ত, য'ত বৃদ্ধিৰ ভাৰসাম্যহীনতা আৰু প্ৰকৃতিৰ অত্যাধিক শোষণৰ বিষয়ে আলোচনা কৰা হৈছে। এই প্ৰসংগত তেওঁ ভাৰতৰ সভ্যতাৰ জ্ঞানভিত্তিক "অখণ্ড মানৱতাবাদ"ৰ ধাৰণাটো অন্বেষণ কৰিব লাগিব বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে সামগ্ৰিক মানৱতাবাদে মানুহ, সমাজ আৰু প্ৰকৃতিৰ বিষয়ে এক সামগ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰে আৰু এইদৰেই প্ৰগতি আৰু পৃথিৱীৰ মাজত সমন্বয় সাধন কৰিব পাৰি।

3. সকলোৰে বাবে বিকাশ, উন্নয়ন আৰু কল্যাণৰ অৰ্থে ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে বিশদভাৱে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে জি-20 ত বিবেচনা কৰিবলৈ ছয়টা ধাৰণা আগবঢ়ায় । সেই সমূহ হ’ল:

* জি-20 বিশ্ব পৰম্পৰাগত জ্ঞানৰ ভঁৰাল গঢ়ি তোলা: ইয়াৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মৰ কল্যাণৰ বাবে মানৱ জাতিৰ সামূহিক জ্ঞানৰ ব্যৱহাৰ হ'ব।

* জি-20 আফ্ৰিকাৰ দক্ষতা বৰ্ধক সৃষ্টিঃ এই কাৰ্যসূচীৰ লক্ষ্য হৈছে আফ্ৰিকাৰ যুৱক-যুৱতীসকলক দক্ষতা প্ৰদানৰ বাবে এক মিলিয়ন প্ৰমাণিত প্ৰশিক্ষকৰ এটা গোট সৃষ্টি কৰা। ইয়ে স্থানীয় সামৰ্থ্য সৃষ্টি কৰিব আৰু মহাদেশখনৰ দীৰ্ঘম্যাদী উন্নয়নত সহায় কৰিব।

* জি-20 বিশ্ব স্বাস্থ্য সঁহাৰি টীমৰ সৃষ্টিঃ ইয়াত জি-20 দেশৰ প্ৰতিখন দেশৰ স্বাস্থ্য বিশেষজ্ঞসকল অন্তৰ্ভুক্ত হ'ব আৰু বিশ্বৰ যিকোনো স্থানত বিশ্বজনীন স্বাস্থ্য প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ নিয়োজিত হ'ব পাৰে।

* জি-20 মুক্ত উপগ্ৰহ তথ্য অংশীদাৰিত্ব স্থাপনঃ এই কাৰ্যসূচীৰ জৰিয়তে জি-20 মহাকাশ সংস্থাৰ উপগ্ৰহ তথ্য কৃষি, মৎস্য পালন, দুৰ্যোগ ব্যৱস্থাপনা আৰু অন্যান্য কাৰ্যকলাপৰ বাবে উন্নয়নশীল দেশসমূহলৈ আগবঢ়োৱা হ'ব।

* জি-20ৰ গুৰুত্বপূৰ্ণ খনিজ সামগ্ৰীৰ প্ৰচলন উদ্যোগৰ সৃষ্টিঃ এই উদ্যোগে পুনঃব্যৱহাৰ, নগৰ খনি, দ্বিতীয় জীৱন বেটাৰী প্ৰকল্প আৰু বিভিন্ন ধৰণৰ উদ্ভাৱনক প্ৰোৎসাহিত কৰিব আৰু যোগান শৃংখলাৰ সুৰক্ষা শক্তিশালী কৰাত সহায় কৰিব আৰু উন্নয়নৰ স্বচ্ছ পথ বিকাশ কৰিব।

* ড্ৰাগছ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ জি-20ৰ উদ্যোগৰ সৃষ্টিঃ ইয়াৰ জৰিয়তে ড্ৰাগছ সৰবৰাহ আৰু ড্ৰাগছ-সন্ত্ৰাসবাদৰ অৰ্থনীতি ভাঙিব পৰা যাব।

4. প্ৰধানমন্ত্ৰীয়ে "এখন সুস্থিৰ বিশ্বৰ জি-20ৰ দুৰ্যোগ প্ৰতিৰোধৰ অৱদান; জলবায়ু পৰিৱৰ্তন; ন্যায়পৰায়ণ শক্তিৰ ৰূপান্তৰ; খাদ্য ব্যৱস্থা" শীৰ্ষক এক অধিৱেশনত ভাষণ প্ৰদান কৰে”। ভাৰতে আৰম্ভ কৰা দুৰ্যোগ প্ৰতিৰোধী কাৰ্যকৰী গোটৰ কাম-কাজ আগুৱাই নিয়াৰ বাবে তেওঁ প্ৰশংসা কৰে। তেওঁ উল্লেখ কৰে যে দুৰ্যোগ প্ৰতিৰোধী আন্তঃগাঁথনিৰ অৰ্থে ভাৰতৰ দ্বাৰা গঠিত সহযোগিতাৰ ক্ষেত্ৰত সঁহাৰিকেন্দ্ৰিক হোৱাৰ পৰিৱৰ্তে বিকাশ কেন্দ্ৰিক হোৱা উচিত। প্ৰধানমন্ত্ৰীয়ে খাদ্য সুৰক্ষা সুদৃঢ় কৰাৰ বাবে জলবায়ু এজেণ্ডাত অধিক সামূহিক পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। এই প্ৰসংগত তেওঁ পুষ্টি সুৰক্ষা আৰু পৰিৱেশৰ বহনক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত মিলেটৰ মূল্যৰ কথা উল্লেখ কৰে। ভাৰতৰ অধ্যক্ষতাৰ সময়ত গ্ৰহণ কৰা খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত ডেকান প্ৰিন্সিপলছ সন্দৰ্ভত আলোকপাত কৰি তেওঁ কয় যে এনে এক দৃষ্টিভংগীয়ে খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত জি-20ৰ ৰোডমেপ প্ৰস্তুত কৰাৰ আধাৰ হ'ব লাগে। তেওঁ লগতে উন্নত দেশসমূহক সময়মতে উন্নয়নশীল দেশসমূহক সুলভ বিত্ত আৰু প্ৰযুক্তি প্ৰদানৰ ক্ষেত্ৰত তেওঁলোকৰ জলবায়ু কাৰ্যকৰী প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ আহ্বান জনায়।

5. প্ৰধানমন্ত্ৰীয়ে বিশ্ব প্ৰশাসনৰ গাঁথনিসমূহত গ্ল’বেল ছাউথৰ অধিক কণ্ঠস্বৰ বিচাৰে। এই প্ৰসংগত তেওঁ উল্লেখ কৰে যে নতুন দিল্লী সন্মিলনত আফ্ৰিকান ইউনিয়নৰ জি-20ৰ স্থায়ী সদস্য হিচাপে অন্তৰ্ভুক্তি এক ডাঙৰ পদক্ষেপ আৰু এই অন্তৰ্ভুক্তিমূলক মনোভাৱ জি-20ৰ বাহিৰেও বহন কৰিব লাগিব। দুয়োখন অধিৱেশনত প্ৰধানমন্ত্ৰীয়ে প্ৰদান কৰা ভাষণৰ সম্পূৰ্ণ ৰূপ ইয়াত চাব পাৰিব [প্ৰথম পৰ্ব, দ্বিতীয় পৰ্ব]

জোহান্সবাৰ্গ

22 নৱেম্বৰ, 2025